डिब्रुगड़ बिश्वविद्यालय भाओना उदयापन समितिৰ उद्योगत

# ডিব্ৰুগড় বিশ্ববিদ্যালয় ভাওনা উদযাপন সমিতিৰ উদ্যোগত

## সত্ৰীয়া কেন্দ্ৰ, গুৱাহাটী (সংগীত নাটক একাডেমী, নতুন দিল্লী)

## আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগত

## সংগীত নাটক একাডেমী বঁটাপ্ৰাপক শ্ৰীযুত হৰিচৰণ ভূঞা বৰবায়নৰ পৰিচালনাত

# গায়ন-বায়নৰ দহদিনীয়া কৰ্মশালা

## স্থান: ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্মী আৰু বিষয়া সন্থাৰ কাৰ্যালয়

## তাৰিখ : ১১ জুলাই, ২০২২ (সোমবাৰ) ৰ পৰা, ২০ জুলাই, ২০২২ (বুধবাৰ)লৈকে

প্ৰিয় সুধীবৃন্দ,

আন্তৰিক শ্ৰদ্ধা আৰু শুভকামনা গ্ৰহণ কৰিব। **সংগীত নাটক একাডেমীৰ সত্ৰীয়া কেন্দ্ৰ, গুৱাহাটী** আৰু **ডিব্ৰুগড় বিশ্ববিদ্যালয়**ৰ সহযোগত সকলো ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু অনুৰাগীৰ সক্ৰিয় সহযোগিতা আৰু অংশগ্ৰহণ কামনা কৰি **ডিব্ৰুগড় বিশ্ববিদ্যালয় ভাওনা উদযাপন সমিতিৰ** উদ্যোগত অহা **১১ জুলাই, ২০২২** তাৰিখৰ পৰা **২০ জুলাই, ২০২২** তাৰিখলৈকে **ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্মী আৰু বিষয়া সন্থাৰ কাৰ্যালয় প্ৰেক্ষাগৃহত দহদিনীয়া কাৰ্যসূচীৰে গায়ন-বায়নৰ এক কৰ্মশালাৰ আয়োজন কৰা হৈছে।** এই কৰ্মশালাত অংশগ্ৰহণৰ বাবে জনাবলগীয়াখিনি নিয়মাৱলী ৰূপত তলত উল্লেখ কৰাৰ ধৰণে দাঙি ধৰিলোঁ।

১) অংশগ্ৰহণৰ কোনো বয়সৰ সীমা নাই। অৱশ্যে অংশগ্ৰহণকাৰীৰ সংখ্যা পৰ্যাপ্ত হ'লে দুটা শাখাত বিভক্ত কৰা হ'ব।

২) কৰ্মশালাৰ প্ৰশিক্ষণৰ সময় ন্যুনতম দৈনিক ৩ ঘন্টা হ'ব। শিক্ষাৰ্থীৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী সময়ত আমি প্ৰশিক্ষণৰ সময় প্ৰকাশ কৰিম।

৩) সকলো শিক্ষাৰ্থীয়ে গায়ন-বায়নৰ সাজ পৰিধান কৰি যথাসময়ত শ্ৰেণীত উপস্থিত থাকিব লাগিব।

৪) সকলো শিক্ষাৰ্থীয়ে নিজা বাদ্য (খোল আৰু তাল নিজৰ প্ৰয়োজন অনুসৰি) লগত আনিব লাগিব।

৫) এই কৰ্মশালাত অংশগ্ৰহণৰ বাবে এখনি নামভৰ্ত্তি প্ৰ-পত্ৰ ইয়াতে প্ৰকাশ কৰা হৈছে। এই প্ৰ-পত্ৰ পূৰণ কৰি তলৰ যিকোনো এটা ঠিকনাত নামভৰ্ত্তিৰ মাচুলেৰে সৈতে জমা দিব পাৰিব।

৬) অংশগ্ৰহণৰ বাবে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বাবে ৩০০ টকাৰ এটি বৰঙণি ধাৰ্য কৰা হৈছে। এই বৰঙণি কৰ্মশালাৰ লগত জড়িত বিভিন্ন শিতানত ব্যয় কৰা হ'ব।

৭) শিক্ষাৰ্থীসকলে তলত দিয়া লিংকত পোৱা Google Form ৰ জৰিয়তেও নামভৰ্ত্তি কৰিব পাৰিব। তেনে ক্ষেত্ৰত কৰ্মশালাৰ প্ৰথম দিনা বা তাৰ আগতে তেওঁলোকৰ যোগদান নিশ্চিত কৰিব লাগিব-

https://docs.google.com/forms/d/e/1FAIpQLSdV2hw91fwX_Pc_olPgN5WbDTWKVZ-iOcZangSwGQSjmpjMgw/viewform?usp=sf_link

৮) কৰ্মশালাৰ প্ৰথম দিনা অৰ্থাৎ ১১ জুলাই, ২০২২ তাৰিখে সকলো প্ৰশিক্ষাৰ্থীৰ বাবে প্ৰশিক্ষণ পূৰ্বাহ্ন ৯-৩০ বজাত আৰম্ভ হ'ব। সেই সময়ৰ পূৰ্বেই যথাস্থানত উপস্থিত হ'বলৈ সকলোকে আহ্বান জনোৱা হৈছে।

৯) উপৰিউক্ত বিষয়ত অধিক জানিব বিচাৰিলে আপোনাসৰে নিম্নোক্ত ঠিকনাত যোগাযোগ কৰিব পাৰিব।


| | | |
|---|---|---|
| **জয়ন্ত কুমাৰ গগৈ** | **বলিন চন্দ্ৰ নাথ** | **ড° বিনোদ চন্দ্ৰ বড়া** |
| **৯৯৫৪২-১৯৭৬৭** | **৯৩৬৫০৯৭৪৮৬** | **৯৯৫৪৭২৫৭৬৫** |

পুনৰ শ্ৰদ্ধাৰে-

ড° গোপাল চন্দ্ৰ হাজৰিকা
সভাপতি

বলিন চন্দ্ৰ নাথ
সম্পাদক

**ডিব্ৰুগড় বিশ্ববিদ্যালয় ভাওনা উদযাপন সমিতি**

**ডিব্ৰুগড় বিশ্ববিদ্যালয় ভাওনা উদযাপন সমিতিৰ উদ্যোগত**

**সত্ৰীয়া কেন্দ্ৰ, গুৱাহাটী (সংগীত নাটক একাডেমী, নতুন দিল্লী)**

**আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগত**

# গায়ন-বায়নৰ দহদিনীয়া কৰ্মশালা

**ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্মী আৰু বিষয়া সন্থাৰ কাৰ্যালয়**

**তাৰিখ : ১১ জুলাই, ২০২২ (সোমবাৰ) ৰ পৰা, ২০ জুলাই, ২০২২ (বুধবাৰ)লৈকে**

## নামভৰ্ত্তিৰ প্ৰপত্ৰ

**১) প্ৰশিক্ষাৰ্থীৰ নাম :________________________________________**

**২) ঠিকনা :________________________________________**

________________________________________

________________________________________

**৩) বয়স (বছৰৰ হিচাপত): ____________________________________**

**৪) অভিভাৱকৰ নাম: ______________________________________**

**৫) যোগাযোগৰ বাবে ফোন নম্বৰ (ৱাটচ আপ থকা): ______________________**

## ঘোষণা

১) মই ________________________________ (নিজৰ নাম) য়ে সম্পূৰ্ণ আন্তৰিকতা আৰু একাগ্ৰতাৰে এই গায়ন-বায়নৰ কৰ্মশালাত অংশগ্ৰহণৰ বাবে ইচ্ছা প্ৰকাশ কৰিছোঁ। এই কৰ্মশালাত যোগদানৰ সুযোগ পালে মই ইয়াৰ সম্পূৰ্ণ নীতি-নিয়ম মানি অংশগ্ৰহণ কৰিম।

**প্ৰশিক্ষাৰ্থীৰ স্বাক্ষৰ**

**তাৰিখ____________**

২) মোৰ সন্তান ________________________________ (প্ৰশিক্ষাৰ্থীৰ নাম) য়ে সম্পূৰ্ণ আন্তৰিকতা আৰু একাগ্ৰতাৰে এই গায়ন-বায়নৰ কৰ্মশালাত অংশগ্ৰহণৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। তেওঁ এই কৰ্মশালাত যোগদানৰ সুযোগ পালে অভিভাৱকস্বৰূপে মোৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়াম।

**অভিভাৱকৰ স্বাক্ষৰ**

**তাৰিখ____________**